অধ্যায় ৭ ঃ যতীন্দ্র নাথ দুৱৰাৰ কবিতা ঃ শেহত দুয়োটি একতে লীন

অধ্যায় গাঁথনি

7.1 উদ্দেশ্য

7.2 পৰিচয়

7.3 কথা-কবিতা ঃ সাধাৰণ পৰিচয়

7.4 *শেহত দুয়োটি একতে লীন*

7.4.1 কবি পৰিচয়

7.4.2 কবিতাটিৰ মূল পাঠ

7.4.3 কবিতাটিৰ বিষয়বস্তু

7.5 কবিতা আৰু দৰ্শনৰ সম্পৰ্ক

7.6 কবি হিচাপে যতীন্দ্র নাথ দুৱৰাৰ মূল্যায়ন

7.7 অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

7.8 অধিক জানিবলৈ

7.9 অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

7.10 আৰ্হি প্রশ্ন

৭.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- কবি যতীন্দ্র নাথ দুৱৰা আৰু তেওঁৰ কবিতা সম্পৰ্কে আলোচনা দাঙি ধৰিব পাৰিব
- কথা-কবিতাৰ বৈশিষ্ট্যসমূহ খৰচি মাৰি ব্যাখ্যা কৰিব পাৰিব
- কবিতা আৰু দৰ্শনৰ সম্পৰ্ক বিশ্লেষণ কৰিব পাৰিব
- ৰহস্যবাদ আৰু ৰোমাণ্টিক কবিতা সম্পৰ্কে আলোচনা আগবঢ়াব পাৰিব।

৭.২ পৰিচয়

'অসমীয়া কবিতা' শীৰ্ষক পাঠ্যবিষয়ৰ এইটো সপ্তম অধ্যায়। ইয়াৰ আগৰ অধ্যায়টো আপুনি হেমচন্দ্র গোস্বামীৰ কবিতা *প্রিয়তমাৰ চিঠি* পঢ়িলে। এই অধ্যায়টোত ৰোমাণ্টিক যুগৰ অন্য এগৰাকী কবি যতীন্দ্র নাথ দুৱৰাৰ কবিতা *শেহত দুয়োটি একতে লীনৰ* ভাববস্তু আৰু সৌন্দর্য্যৰ লগত পৰিচিত হ'ব।

জোনাকী (1889 খ্রীঃ) কাকতৰ যোগেদি অসমীয়া সাহিত্যলৈ ৰোমাণ্টিক ভাবাদর্শৰ আমদানি হয় আৰু এক সুদীর্ঘ সময়লৈকে এই ভাবধাৰা বিস্তাৰিত হৈ থাকে। এই যুগটোক ৰোমাণ্টিক যুগ (1889–1940 খ্রীঃ) বুলি অভিহিত কৰা হৈছে। অসমীয়া সাহিত্যৰ এই যুগটোৰ

দ্বিতীয় স্তৰ, অর্থাৎ বাঁহী (1909) পর্বৰ এগৰাকী বিশিষ্ট কবি হৈছে যতীন্দ্র নাথ দুৱৰা। এই অধ্যায়টিত আমি যতীন্দ্র নাথ দুৱৰা আৰু তেওঁৰ কবিতা, কথা-কবিতা আৰু মূল পাঠ *শেহত দুয়োটি একতে লীন* সম্পর্কে আলোচনা কৰিম।

'কথা-কবিতা' অসমীয়া সাহিত্যৰ এটি আপুৰুগীয়া সম্পদ। অসমীয়া ভাষাত 'কথা-কবিতা' ৰচনা কৰি দুৱৰাই এই ধাৰাটিৰ বাটকটীয়া হিচাপে প্রতিষ্ঠা লাভ কৰে। এই অধ্যায়টিত আমি কথা-কবিতা সম্পর্কে খৰচি মাৰি আলোচনা কৰিমহঁক।

৭.৩ কথা-কবিতা ঃ সাধাৰণ পৰিচয়

অসমীয়া কাব্য-জগতলৈ যতীন্দ্র নাথ দুৱৰাৰ এক বিশিষ্ট অৱদান হৈছে 'কথা-কবিতা'। অসমীয়া 'কথা-কবিতা'ৰ জনক হিচাপে তেওঁৰ নাম সদায় প্রাতঃস্মৰণীয় হৈ ৰ'ব।সমালোচকসকলে মত দাঙি ধৰিছে যে দুৱৰাই যদি কেৱল 'কথা-কবিতা' পুথিখনেই লিখি থৈ গ'লহেঁতেন, সেইখনেই তেওঁক অসমীয়া সাহিত্যত অমৰ কৰি ৰাখিলেহেঁতেন। বাণীকান্ত কাকতিয়ে 'কথা-কবিতা' সম্পর্কে কৈছে— "কথা-কবিতা নোহোৱা নোপোজা কবিতাৰ পুথি। এনে ধৰণৰ গদ্যত লিখা কবিতাৰ পুথি জনাৰ ভিতৰত আন কোনো ভাৰতীয় ভাষাত নাই, ইংৰাজীতো বিৰল। চিৰকালেই কবিতা পদ্যতহে লিখা হৈ আহিছে। কবিতাৰ উৎপত্তি গীতৰ পৰা, সেই কাৰণে কবিতাক বাঙ্ময়ী গীতি বুলিয়েই জন-সমাজে স্বীকাৰ কৰি আহিছে।"

'কথা-কবিতা' (1933) পুথিখনৰ পাছত প্রফুল্ল গোস্বামীয়ে ৰচনা কৰা *ফিৰিঙতি* (1940) নামৰ এখন কথা-কবিতা পুথি প্রকাশিত হয়। অৱশ্যে ৰূপ আৰু ৰীতিৰ ক্ষেত্রত দুৱৰাৰ লগত প্রফুল্ল গোস্বামীৰ পার্থক্য দেখা যায়। পাছত ৰঘুনাথ চৌধাৰীয়ে *নৱমল্লিকা* (1958) নামৰ কথা-কবিতাৰ পুথিখন ৰচনা কৰে।

'কথা-কবিতা' (Poem in Prose)ৰ সৃষ্টি পোনতে ৰুছ দেশীয় সাহিত্যিক আইভান টুর্গেনিভৰ হাতত হয়। ৰাজহাড়ৰ জটিল কর্কট ৰোগত ভুগি থাকি আৰু স্বদেশৰ পৰা নির্বাসিত হৈ প্রৱাসী জীৱন কটাই থকাৰ বিষাদময়-যন্ত্রণাকাতৰ মুহূর্তত তেওঁৰ আচহুৱা ভাববোৰ এক বিশেষ ৰীতিৰে দাঙি ধৰে। টুর্গেনিভৰ কথা-কবিতাৰ পুথি *Sonilia* আৰু দক্ষিণ আফ্রিকাৰ 'কথা-কবিতা' লেখিকা অলিফ শ্রাইনাৰৰ *Dream* —এই পুথি দুখন দুৱৰাই সততে লগত ৰাখিছিল। কথা-কবিতা ৰচনা কৰোঁতে দুৱৰাই টুর্গেনিভ আৰু শ্রাইনাৰৰ দ্বাৰা প্রভাৱান্বিত হৈছিল। তেওঁলোকৰ পৰা টেক্‌নিক বা ৰচনাশৈলী গ্রহণ কৰিলেও দুৱৰাই নিজৰ অভিজ্ঞতাৰে কথা-কবিতাসমূহ ৰচনা কৰিছিল। কবি-সমালোচক নন্দ তালুকদাৰে এই প্রসঙ্গত কৈছে, "কথা-কবিতা কবিৰ কবিতাৰ দৰে ব্যক্তিগত জীৱনৰ নির্জন স্বাক্ষৰ; সৰহভাগ কবিতাই ব্যক্তিগত জীৱনৰ হা-হুমুনিয়া ব্যথা-বেদনাৰে ভৰপূৰ।"

দুৱৰাৰ অন্য কবিতাৰ দৰে কথা-কবিতাসমূহৰ মাজেদিও তেওঁৰ জীৱনদর্শন প্রকাশ পাইছে। *দেৱী, এজনী বুঢ়ী, শিল্পী, পোহৰ* আদি কথা-কবিতাসমূহ তাৰ প্রকৃষ্ট উদাহৰণ। বাণীকান্ত কাকতিয়ে 'কথা-কবিতা'ৰ পাতনিত *শিল্পী*ক দুৱৰাৰ কাব্য-জীৱনৰ মূলমন্ত্রৰ স্বীকাৰোক্তি বুলিব

পাৰি বুলি মত দাঙি ধৰিছে। তেওঁ কথা-কবিতাৰ লক্ষণবোৰ পাতনিখনত আলোচনা কৰিছে। কথা-কবিতাৰ লক্ষণবোৰ হ'ল—

1) কথা-কবিতা এবিধ কবিতাই, কিন্তু ই কথাত ৰচিত, পদ্যত নহয়।
2) কথা-কবিতাৰ প্ৰাথমিক উদ্দেশ্য চিত্ৰ অৰ্থাৎ ই চিত্ৰধৰ্মিতাৰ ওপৰত প্ৰতিষ্ঠিত। ছন্দোময়ী কবিতাতো চিত্ৰ থাকিব পাৰে, কিন্তু ছন্দোময়ী কবিতাৰ প্ৰাথমিক উদ্দেশ্য ধ্বনি, চিত্ৰ নহয়; চিত্ৰ আনুষঙ্গিক হ'ব পাৰে।
3) কথা-কবিতাত এটি মাথোন কেন্দ্ৰস্থ ভাব থাকে আৰু সেই ভাবক ডাঙৰ-সৰু কেতবোৰ তলতীয়া চিত্ৰৰে সজীৱ কৰি তোলা হয়।
4) কথা-কবিতাৰ লক্ষ্য হৈছে ৰূপ বা দৃশ্য বস্তুত সজীৱতা আৰোপ কৰা। ছন্দোময়ী কবিতাৰ প্ৰধান লক্ষ্য গীত বা শ্ৰব্য বিষয়ক মূৰ্ত কৰি তোলা।
5) কথা-কবিতা আৰু কবিত্বময়ী কথা একে নহয়। কথা-কবিতা এবিধ কবিতাই, কিন্তু কবিত্বময়ী কথা লিখাৰ ভঙ্গী বা ভাষাৰ ৰীতি মাথোন।
6) কথা-কবিতাত ৰূপৰ সমাৱেশ থাকে আৰু ই প্ৰায়েই ৰূপকাত্মক। প্ৰত্যেকটো চিত্ৰৰ আঁৰতেই ওৰণি লোৱা ভাব একোটা থাকে।

দুৱৰাৰ *কথা-কবিতা*পুথিৰ পাতনিত কাকতিয়ে কৈছে— "কথা-কবিতাৰ সকলো উপাদান দুৱৰাৰ 'কথা-কবিতা'ত বিৰাজ কৰিছে। ...'কথা-কবিতা' দুৱৰাৰ প্ৰায় কুৰি বছৰ কাল ব্যাপি নানান সময় আৰু নানান অৱস্থাৰ অনুভূতিৰ চিত্ৰৰ সমাৱেশ। ই তেওঁৰ কোমল বুকু ভেদ কৰি ওলোৱা বালিৰ নিজৰাৰ দৰে। দুই-এটি বিষয় বিদেশী মূলৰ পৰা অনা হৈছে, কিন্তু সেইবোৰক বুকুৰ তপত তেজৰ উমনি দি সজীৱ কৰি তোলা হৈছে। ...ৰূপকৰ ছলেৰে দুৱৰাই তেওঁৰ প্ৰহেলিকাময় জীৱনৰ ব্ৰতৰ কথা ঠায়ে ঠায়ে ঠাৰেৰে কৈছে।"

দুৱৰাৰ *কথা-কবিতা*সমূহৰ বেছিভাগতে টুৰ্গেনিভ আৰু অলিফ শ্ৰাইনাৰৰ কথা-কবিতাৰ প্ৰভাৱ পৰা দেখা যায়। উদাহৰণ স্বৰূপে— *দেৱী* (টুৰ্গেনিভৰ *A Visit*), *এজনী বুঢ়ী* (টুৰ্গেনিভৰ *The Old Woman*), *শেষ দেখা* (টুৰ্গেনিভৰ *The Last Good-bye*), *মগনিয়াৰ* (টুৰ্গেনিভৰ *The Beggar*), *কথা-বাৰ্তা* (টুৰ্গেনিভৰ *A Dialogue*), *কাইলৈ* (টুৰ্গেনিভৰ *To-morrow*), *এজন বুঢ়া মানুহ* (টুৰ্গেনিভৰ *The Old Man*), *এপাহি গোলাপ* (টুৰ্গেনিভৰ *The Rose*), *ভিক্ষা* (টুৰ্গেনিভৰ *The Alms*), *বাতৰিকাকতৰ সংবাদদাতা* (টুৰ্গেনিভৰ *The Reporter*), *এটি টিপচি চৰাই* (টুৰ্গেনিভৰ *The Sparrow*), *কুকুৰ* (টুৰ্গেনিভৰ *The Dog*), *এহালি পাৰ* (টুৰ্গেনিভৰ *The Doves*), *শিল্পী* (শ্ৰাইনাৰৰ *The Artist's Secret*), *জীৱনৰ দান* (শ্ৰাইনাৰৰ *Life's Gifts*) ইত্যাদি কথা-কবিতাসমূহৰ মাজত সাদৃশ্য চকুত পৰা বিধৰ।

দুৱৰাৰ কথা-কবিতাৰ ৰূপ আৰু ৰীতি বিশ্লেষণ কৰি সেইবোৰৰ কেইটামান ভাগত বিভক্ত কৰা হৈছে—

1) কাহিনীমূলক (*সোণবৰণীয়া দেশ, কেতেকী* ইত্যাদি কথা-কবিতা)
2) ৰহস্যমূলক বা সাঁথৰধৰ্মী (*পখিলা, বাটৰুৱা, দেৱী* ইত্যাদি)

3) ৰূপকাত্মক (*শিল্পী, পোহৰ, এহালি পাৰ* ইত্যাদি)

4) তত্ত্বধর্মী (*শেহত দুয়োটি একতে লীন, জীৱনৰ সাঁতোৰ, ব্যর্থতা* ইত্যাদি)

5) নীতিমূলক (*এজনী বুঢ়ী, মগনিয়াৰ* ইত্যাদি)

6) আধ্যাত্মিক (*সীমায়ো দিয়েহি ধৰা, এটি গীত, উৎসাহ* ইত্যাদি)



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ যতীন্দ্র নাথ দুৱৰাৰ সাহিত্য-কৃতিৰ উল্লেখযোগ্য দিশসমূহৰ এটি চমুটোকা প্রস্তুত কৰক।

(250টা শব্দৰ ভিতৰত লিখক।)

৭.৪ *শেহত দুয়োটি একতে লীন*

৭.৪.১ কবি পৰিচয়

এগৰাকী আগশাৰীৰ ৰোমাণ্টিক কবি হিচাপে অসমীয়া কবিতাৰ ইতিহাসত যতীন্দ্র নাথ দুৱৰাৰ (1892–1964) বিশিষ্ট স্থান আছে। শিৱসাগৰৰ আমোলাপট্টিত জন্ম গ্রহণ কৰা দুৱৰাই 1909 চনত শিৱসাগৰ চৰকাৰী উচ্চ ইংৰাজী বিদ্যালয়ৰ পৰা প্রৱেশিকা পৰীক্ষাত উত্তীর্ণ হয়। কলিকতাৰ স্কটিছ চার্চ কলেজৰ পৰা বি.এ. পাছ কৰি আইন আৰু এম.এ. শ্রেণীত নামভর্তি কৰে যদিও আধাতে সামৰি ঘৰলৈ উভতি আহে। এগৰাকী শিক্ষক হিচাপেই তেওঁ কর্মজীৱন অতিবাহিত কৰে।

স্কুলীয়া জীৱনৰ পৰাই তেওঁ সাহিত্য চর্চাত মনোনিৱেশ কৰে। *Twinkle Twinkle Little Star* কবিতাটি *চিকিমিকি চিকিমিকি সৰু তৰাটি* নামেৰে অনুবাদ কৰি শৈশৱতে বহুতৰ পৰা প্রশংসা লাভ কৰিবলৈ সক্ষম হয়।

লক্ষ্মীনাথ বেজবৰুৱা সম্পাদিত *বাঁহী* (1909) কাকতৰ যোগেদি প্রকৃততে দুৱৰাৰ সাহিত্যিক জীৱন আৰম্ভ হয়। চন্দ্রকুমাৰ আগৰৱালাই প্রদান কৰা 'যদু' ছদ্মনামত আৰু কেতিয়াবা 'সুদর্শন শর্মা' ছদ্মনামত দুৱৰাই *বাঁহী*ত লিখিবলৈ আৰম্ভ কৰে। ভালেমান প্রবন্ধ আৰু কবিতা প্রকাশ হৈছিল যদিও দুৱৰাদেৰ মুখ্যতঃ এগৰাকী কবি হিচাপেই অধিক সুপৰিচিত। তেওঁ 'কাব্যযোগী' হিচাপেও সমকালীন সমাজত পৰিচিত আছিল। দুৱৰাৰ প্রকাশিত কবিতা পুথিসমূহ হ'ল— *ওমৰ তীর্থ* (1926), *কথা-কবিতা* (1933), *আপোন সুৰ* (1938), *বনফুল* (1952) আৰু *মিলনৰ সুৰ* (1958)।

দুৱৰাৰ সান্নিধ্যলৈ অহা যতি নাৰায়ণ শর্মা, তীর্থনাথ শর্মা, বিৰিঞ্চি কুমাৰ বৰুৱা আদি ব্যক্তিসকলৰ বক্তব্যৰ পৰা জনা যায় যে দুৱৰাদেৰে যিমান কবিতা প্রকাশ কৰিছিল, তাতোকৈ অধিক কবিতা ফালি বা জুইত পুৰি নষ্ট কৰিছিল। তদুপৰি কবিতা ৰচি বিভিন্ন ব্যক্তিক উপহাৰ হিচাপে দিয়াত সেইবোৰ অ'ত-ত'ত সিঁচৰতি হৈ হেৰাই যায়। সি যি

কি নহওক, প্রকাশিত কবিতা পুথিকেইখনৰ যোগেদিয়ে দুৱৰাই এগৰাকী শ্রেষ্ঠ ৰোমাণ্টিক কবি হিচাপে প্রতিষ্ঠা লাভ কৰিছে।

বনফুল কবিতা পুথিৰ বাবে 1955 চনত দুৱৰাই সাহিত্য অকাডেমী বঁটা লাভ কৰে। এই বঁটা লাভ কৰা তেৱেঁই প্রথম অসমীয়া ব্যক্তি। 1955 চনত গুৱাহাটীত অনুষ্ঠিত অসম সাহিত্য সভাৰ চতুৰ্বিংশ অধিৱেশনত দুৱৰাই সভাপতিৰ আসন অলঙ্কৃত কৰিছিল। 1964 চনত শিৱসাগৰত দুৱৰাৰ মৃত্যু হয়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ২ ঃ কথা-কবিতাৰ মূল বৈশিষ্ট্যসমূহ কি কি? চমুকৈ উল্লেখ কৰক। (150টা শব্দৰ ভিতৰত লিখক।)

৭.৪.২ কবিতাটিৰ মূল পাঠ

শেহত দুয়োটি একতে লীন

কবি আৰু দার্শনিক।

আলিবাটটোৰ দুয়োফালে দুয়ো যাব লাগিছে— সত্যৰ অনুসন্ধানত, গৈ গৈ দূৰৈৰ পর্ব্বতটোৰ কাষ চাপিলেগৈ। ওপৰলৈ চাই দেখিলো ওপৰৰ পৰা দুখন হাতে তেওঁলোক দুয়োকে যেন কাষলৈ মাতিছে। এখন সোঁফালে, আনখন বাওঁফালে। সোঁহাতখন যেন নামি আহিছে শূন্য নীল আকাশৰ পৰা আৰু বাওঁখন যেন এচপৰা ধীৰ ডাৱৰৰ বুকুৰ পৰা, দুয়ো দুয়োফালেদি পর্ব্বত বগাবলৈ ধৰিলে। যি জনশূন্য নীল আকাশৰ তলৰ বাটেদি বগাবলৈ ধৰিলে তেওঁক আনজনে ক'লে, "তুমি ভুল কৰিছা বন্ধু। বহুত পৰ ৰ'দত বাট বুলি তোমাৰ মুৰ আচন্দ্রাই কৰিছে। তোমাৰ ওপৰত যি দেখিছা সি মাথোন শূন্য, তুমি ইয়াৰ মাজত সোমালেই দেখিবা তাত একোৱেই নাই, শূন্য, আনকি তুমি উশাহ ল'বলৈকে টান পাবা। মোৰ মুৰৰ ওপৰত বুকুত বিজুলীয়ে চিকমিক কৰা যি চপৰা ক'লা ডাৱৰ দেখিছা, যাৰ বুকুত গাজনি শুনিছা আৰু য'ত মাজে মাজে পোহৰ জিলিকি পৰিছে, সেই পোহৰতেই মোক বাট দেখুৱাই মাতিছে। মই তালৈকে উঠি যাম।" নীল আকাশৰ বুকুলৈ চাই বাট বোলাজনে উত্তৰ দিলে, "তুমিও ভুল কৰিছা বন্ধু, তোমাৰ ওপৰত মাথোন এচপৰা ক'লা ডাৱৰ কুঁৱলী আৰু পনীয়া বতাহেৱেই ভৰা। এবাৰ তাত সোমালে আৰু ওলাবৰ বাট নোপোৱা, তাতে ঘূৰি ফুৰিব লাগিব। মোৰ ওপৰত থকা অনন্তনীল আকাশে মোক মাতিছে, মই তালৈকে যাম।" দার্শনিকে মাথোন ক'লে, "অন্ধ"! কবিয়ে মাত লগালে, "নির্ব্বোধ"। দুয়ো দুফালেদি বগাবলৈ ধৰিলে, শেহত যেতিয়া ভাগৰত লালকাল হৈ পর্ব্বতৰ টিং পালেগৈ, ঈশ্বৰে সোঁ হাতখনেৰে কবিক বাঁও হাতেৰে দার্শনিকক, দুয়োকে বুকুত সাৱটি ল'লে। যেতিয়া তেওঁলোক দুয়ো সাৰ পালে তেতিয়া বুজিলে যে দুয়ো একেখনি বুকুৰ

দুফালেদি আছে। এজনে মাত লগালে, "মই সোঁফালে", আনজনে ক'লে, "মই বাঁওফালে", অথচ আমি একে ঠাইতে, আৰু তাতেই দুয়ো সত্যৰ ধ্বনি শুনিবলৈ পালে।

৭.৪.৩ কবিতাটিৰ বিষয়বস্তু

শেহত দুয়োটি একতে লীন কথা-কবিতাটি তত্ত্বমূলক শ্রেণীত ধৰিব পাৰি। কথা-কবিতাটিত কবি আৰু দার্শনিকৰ সত্য অন্বেষণ, সত্যৰ পথ আৰু সত্যৰ স্বৰূপ— অভিনৱ মানস-চিত্রৰে আকর্ষণীয় ৰূপত দাঙি ধৰা হৈছে। ইয়াত কবি আৰু দার্শনিকৰ সম্বন্ধ সৃষ্টিশীল কল্পনাৰে চিত্রময় ৰূপত অঙ্কন কৰা হৈছে। দার্শনিকে সত্য দাঙি ধৰে বিচাৰ-বিশ্লেষণ অর্থাৎ বুদ্ধিক আশ্রয় কৰি। কিন্তু কবিয়ে সত্যক দাঙি ধৰে কল্পনা-অনুভূতিৰ আশ্রয়ত। সত্যৰ অনুসন্ধানত কবি আৰু দার্শনিক একেটা আলিবাটৰ দুয়ো কাষেৰে যাব ধৰিলে। কবিয়ে শূন্য নীল আকাশত অতীন্দ্রিয় অনুভূতিৰে ঈশ্বৰৰ হাত-বাউলি দেখিলে। দার্শনিকে সাধাৰণতে জগতৰ বয়-বস্তুৰ স্থিতিৰ ব্যাখ্যাৰে সত্যৰ অন্বেষণ কৰে। সেই হিচাপে কথা-কবিতাটিৰ দার্শনিক সাধকজনে নীল আকাশৰ বুকুৰ ক'লীয়া মেঘৰ গাজনি, বিজুলীৰ আশ্রয়ত ভগৱানৰ আহ্বান আৰু হাত-বাউলি দেখি আগুৱাই গ'ল। দার্শনিকজনে ক'লীয়া মেঘ, বিজুলী-ঢেৰেকণিৰ ব্যাখ্যাৰে ভগৱানৰ সৈতে মিলনৰ দুৱাৰডলি বুলি যাত্রাপথত আগুৱাই গ'ল। গতিকে, ইয়াতেই কবি আৰু দার্শনিকৰ পার্থক্য স্পষ্টভাৱে ওলাই পৰে। দার্শনিকে কবিক শূন্য আকাশত কেৱল শূন্যতা থকা বুলি কৈ তেওঁৰ পথটো ভুল আৰু কবিক 'অন্ধ' বুলি আঁতৰি আহিবলৈ ক'লে। প্রত্যুত্তৰত কবিয়ে দার্শনিকজনক ক'লীয়া ডাৱৰবোৰ 'কুঁৱলী আৰু পনীয়া বতাহ' বুলি কৈ তাৰ আলমত সত্যৰ সন্ধান কৰাটো ভুল বুলি ক'লে। 'নির্বোধ' দার্শনিকেহে তেনে ভুল বাটেৰে আগবাঢ়ে। গতিকে সেই বাট এৰিবলৈ ক'লে। শেষত গৈ গৈ কবি আৰু দার্শনিকে উপলব্ধি কৰিলে যে দুয়ো একেজন ঈশ্বৰৰ বুকুৰ দুয়োফালে শুই আছে। তেওঁলোকে সত্যৰ ধ্বনি শুনিবলৈ পালে। ঈশ্বৰৰ কৰুণাময় আৰু প্রেমময় ৰূপ দর্শন কৰিলে। কবিতাটিৰ যোগেদি জগতৰ মাজতেই যে ঈশ্বৰ অন্তর্নিহিত হৈ আছে— তাৰ আভাসো দাঙি ধৰা হৈছে। কবি আৰু দার্শনিকৰ সত্য অন্বেষণৰ পথ কিছু ভিন্ন হ'লেও, শেষত যে দুয়োৰে সত্য উপলব্ধি একেই, একেই সত্যক ভিন্ন প্রণালীৰে দুয়ো ব্যাখ্যা কৰে— সেই কথা চিত্রময় কল্পনাৰে উপস্থাপন কৰা হৈছে। কথা-কবিতা হিচাপে ইয়াত কেন্দ্রস্থ ভাব, চিত্রময়তা, আকর্ষণীয় কবিত্বময় ৰচনাভঙ্গী আদি বৈশিষ্ট্য ফুটি উঠা দেখা যায়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ ঃ কথা-কবিতাটিৰ মূল কথাখিনি চমুকৈ নিজৰ ভাষাত লিখক। (250টা শব্দৰ ভিতৰত লিখক।)

৭.৫ কবিতা আৰু দর্শনৰ সম্পর্ক

বিশ্বজগতৰ সত্য উদঘাটন কৰাই বিজ্ঞান, দর্শন আৰু কবিতাৰ এটা অন্যতম লক্ষ্য। বিজ্ঞানত বিশ্বজগতৰ বস্তুসমূহৰ গঠন, পাৰস্পৰিক সম্পর্ক আদি তথ্য সহকাৰে প্রমাণ কৰি দেখুওৱা হয়। কিন্তু সেই বস্তুৰ আভ্যন্তৰীণ সৌন্দর্য আৰু মানৱ মনত সেই সৌন্দর্যই সৃষ্টি কৰা প্রতিক্রিয়া, ভাব-অনুভূতিৰ সত্য কবিতাত প্রকাশিত হয়। জীৱন আৰু জগতৰ সকলো কথা বিজ্ঞানে প্রমাণ কৰিব পৰা হোৱা নাই। জন্ম-মৃত্যুৰ ৰহস্য, বিশ্বজগতৰ স্রষ্টাৰ ৰহস্য কেৱল বিশ্বাস আৰু অনুভূতিৰ মাজতে সীমাবদ্ধ হৈ আছে। দর্শনে এই দিশসমূহৰ বিচাৰ-বিশ্লেষণ কৰি সত্যৰ সন্ধান দিবলৈ চেষ্টা কৰিছে। মুঠতে, বিজ্ঞান, দর্শন আৰু কবিতাত বিশ্বজগতৰ সত্য ভিন্ ভিন্ ধৰণে প্রকাশিত হৈ আহিছে।

প্রত্যেকতে এই সত্যৰ স্বৰূপ কিছু ভিন্ন। বিজ্ঞানৰ সত্যৰ লগত দর্শন বা কাব্যৰ সত্য নিমিলে।কবিতাৰ সত্য বিজ্ঞানে প্রমাণ কৰি দেখুৱাব নোৱাৰে। তেনেদৰে বিজ্ঞানৰ যথার্থ ব্যাখ্যাসম্ভুত সত্যও কাব্যিক সত্যতকৈ ভিন্ন চৰিত্রৰ।

কবিতাত কবিয়ে কল্পনা আৰু ভাব-অনুভূতিৰ সহায়ত সত্যৰ সন্ধান কৰে। কিন্তু দর্শনত দার্শনিকে বিচাৰ-বিশ্লেষণৰ আধাৰত যুক্তি-তর্কৰে সত্য উদঘাটনৰ চেষ্টা কৰে। সেয়ে, কবিতাৰ সম্বন্ধ হৃদয়ৰ লগত বেছি, দর্শনৰ সম্বন্ধ মগজুৰ লগত বেছি। কবিয়ে বিশ্বাসৰ যোগেদিহে সত্যক আঁকোৱালি লয়। কিন্তু দর্শনে বিচাৰ-বিশ্লেষণ কৰি সত্যক দাঙি ধৰে। তথাপি দর্শন আৰু কবিতাত প্রণালী ভিন্ন হ'লেও জীৱন-জগত সম্পর্কে যি সত্য দাঙি ধৰা হয়, শেষত সেই সত্যৰ মিল থকা দেখা যায়। পৃথিৱীত বহুতো মহৎ কবি একো একোজন দার্শনিকো আছিল। এই ক্ষেত্রত ৱর্ডছ্ৱর্থৰ কথাকে ক'ব পাৰি। ক'ল'ৰিজৰ মতে— "কোনো মানুহেই নিটোল দার্শনিক নোহোৱাকৈ ডাঙৰ কবি হ'ব নোৱাৰে"— "No man was even yet a great poet without being at the same time a profound philosopher"। ব্রাউনিঙৰ মতে— "দর্শন প্রথমতে আৰু ইয়াৰ উৎকৃষ্ট ফল কবিতা পিছত"— "Philosophy first, and poetry, which is its highest outcome, afterwards"।

গতিকে দেখা যায়, দর্শন কবিতাৰ বিৰোধী নহয়। দার্শনিক সত্যৰ আধাৰত বহু মহৎ কবিতাৰ সৃষ্টি হৈছে। কবি এগৰাকীয়ে দার্শনিক সত্যক ভাব-অনুভূতি-কল্পনাৰ যোগেদি মনোমোহা ৰূপত উপস্থাপন কৰে। কিন্তু কেৱল দার্শনিক সত্যক তত্ত্ব হিচাপে সাধাৰণ বর্ণনাৰে উপস্থাপন কৰিলে সি পদ্যহে হ'ব, কবিতা নহয়। কবিতাৰ কাব্যিক আবেদন বজাই ৰাখিহে তেনে সত্য প্রকাশ পাব লাগিব। কিন্তু সেইবুলি যে কেৱল দার্শনিক সত্যৰ আধাৰতহে কবিতা ৰচনা কৰিব লাগে, তেনে নহয়। সাধাৰণ বস্তুৰ আলমতো বহুত মহৎ কবিতা সৃষ্টি হৈছে।

কার্লাইলে কৈছে যে প্রতিজন মানুহেই কোনোবা এটা মুহূর্তৰ কাৰণে ডাণ্টে হৈ পৰে। আচলতে কম-বেছি পৰিমাণে সকলো মানুহৰেই বাস্তৱ জীৱন-জগতৰ প্রতি সূক্ষ্ম দৃষ্টিভঙ্গী থাকে। কবিও সেই ক্ষেত্রত ব্যতিক্রম নহয়। কবিয়ে জীৱন-দর্শন বা সূক্ষ্ম দৃষ্টিভঙ্গী কল্পনা-অনুভূতিৰে

দাঙি ধৰি বিশ্ব-প্ৰকৃতিৰ ৰহস্য ভেদৰ চেষ্টা কৰে। মুঠৰ ওপৰত, কবিতা আৰু দৰ্শনৰ এক গভীৰ সম্পৰ্ক আছে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৪ ঃ কবিতা আৰু দৰ্শনৰ সম্বন্ধ বিশ্লেষণ কৰি দেখুৱাওক। (250টা শব্দৰ ভিতৰত লিখক।)

৭.৬ কবি হিচাপে যতীন্দ্ৰ নাথ দুৱৰাৰ মূল্যায়ন

চন্দ্ৰকুমাৰ আগৰৱালা, লক্ষ্মীনাথ বেজবৰুৱা আদি পূৰ্বসূৰী বিশিষ্ট অসমীয়া কবিসকলৰ সান্নিধ্যত দুৱৰাৰ কবি-প্ৰতিভাৰ পাহি মেল খাবলৈ ধৰে। কলিকতাত অসমীয়া বন্ধু-বান্ধৱ তীৰ্থনাথ শৰ্মা, ভ্ৰাতৃপ্ৰতিম যতি নাৰায়ণ শৰ্মা, লক্ষ্মীধৰ শৰ্মা আদিৰ উৎসাহ-অনুপ্ৰেৰণাত দুৱৰাই কবিতা ৰচিবলৈ আৰম্ভ কৰে। তেওঁৰ সাহিত্যিক জীৱন আৰম্ভ হয় অনুবাদ কৰ্মৰ যোগেদি। একাদশ-দ্বাদশ শতিকাৰ পাৰস্যৰ বিখ্যাত ফাৰ্চী কবি ওমৰ খায়ামৰ *ৰুবাইয়া* অসমীয়ালৈ অনুবাদ কৰি তেওঁ সাহিত্য-ভাণ্ডাৰলৈ এটি বহুমূলীয়া মুকুতা আমদানি কৰে। মূল লেখকৰ লেখা ফাৰ্চী ভাষাত থকাত তৰুণৰাম ফুকনৰ সাহাৰ্য্যত কলিকতা বিশ্ববিদ্যালয়ৰ ফাৰ্চী বিভাগৰ অধ্যাপক খোদাবক্সৰ ওচৰত দুৱৰাই ফাৰ্চী ভাষা আৰু ছুফীবাদ সম্পৰ্কে ভালকৈ অধ্যয়ন কৰি লৈহে অনুবাদ কৰ্মত হাত দিয়ে। দুৱৰাই অনুবাদ কৰোঁতে ইংৰাজ কবি ফিট্‌জেৰাল্ডৰ ভাঙনিৰ সহায় লৈছিল। আক্ষৰিক অনুবাদতকৈ ভাবানুবাদত গুৰুত্ব প্ৰদান কৰা দুৱৰাই অসমীয়া পৰিৱেশৰ লগত ৰজিতা খুৱাই তাক অসমীয়া ৰূপ প্ৰদান কৰিবলৈ প্ৰয়াস কৰিছিল। অনুবাদ কাৰ্য সাফল্যমণ্ডিত হোৱাৰ এই দুটা অন্যতম কাৰক আছিল। 'কথা-কবিতা'ৰ পাতনিত বাণীকান্ত কাকতিয়ে কৈছে— "দুই-এটি বিষয় বিদেশী মূলৰ পৰা অনা হৈছে, কিন্তু সেইবোৰকে বুকুৰ তপত তেজৰ উমনি দি সজীৱ কৰি তোলা হৈছে।"

দুৱৰাৰ অনুবাদ ইমান সাৱলীল আৰু চিত্তাকৰ্ষক আছিল যে সেইবোৰ কবিৰ অনুবাদ-কৰ্ম নহৈ যেনিবা মৌলিক ৰচনাহে আছিল। এগৰাকী অনুবাদক হিচাপে দুৱৰাই সফলতা লাভ কৰিছিল। যথা—

"ধৰা প্ৰিয়তম প্ৰাণৰ পিয়লা
জীৱন মদিৰা ভৰাই দিয়া,
অতীত ভবিষ্য শোক দুখ ভয়
আজিৰ ভাবনা উটাই নিয়া।
আজিয়েই দিয়া কালিলৈ কিয়
কোনে জানে মোৰ কালি কি হ'ব?
হাজাৰ হাজৰ বছৰ বিয়পা
হয়তো অতীতে সামৰি থ'ব।"

দুৱৰা মুখ্যতঃ প্ৰেমৰ কবি বুলি বিৰিঞ্চি কুমাৰ বৰুৱাই *বনফুল*ৰ পাতনিত কৈ গৈছে। কবিৰ মূল অনুভূতি এটাই, কিন্তু প্ৰেমৰ সেই অনুভূতিৰ বিভিন্ন দশা— আশা-হতাশা, স্বপ্ন-স্বপ্নভঙ্গ, হৰ্ষ-বিষাদ, বিৰহ-বিচ্ছেদ, সোঁৱৰণ-পাহৰণ আদিৰ চিত্ৰণে সাতো�ৰঙী ৰামধেনুৰ দৰে কবিতাক বৰ্ণময় ৰূপ প্ৰদান কৰিছে। পদ্মধৰ চলিহাই এই প্ৰেম পাৰ্থিৱ প্ৰেম নহে আধ্যাত্মিক প্ৰেম বুলিহে মত দাঙি ধৰিছে— "দুৱৰা কবিয়ে যদিও ভালেমান প্ৰেমৰ কবিতা ৰচিলে; সেই প্ৰেম অতীন্দ্ৰিয় বা 'প্লেটনিক' ধৰণৰ প্ৰেম বুলিহে আমাৰ ধাৰণা হয়। ইন্দ্ৰিয়গ্ৰাহ্য প্ৰেমতকৈ বিশ্বপ্ৰেমক অধিক ওখ আসন দিয়াটোহে কবিতাবোৰে প্ৰতিপন্ন কৰে।"

দুৱৰাৰ কবিতাত পাৰ্থিৱ প্ৰেয়সীৰ শাৰীৰিক ৰূপ-সৌন্দৰ্যৰ বৰ্ণনা বা শাৰীৰিক মিলনৰ ছবি অঙ্কন হোৱা দেখা নাযায়। অৱশ্যে ব্যক্তিগত জীৱনত কোনোবা প্ৰেয়সীৰ পৰা প্ৰেমৰ প্ৰতিদান নাপাই মান-অভিমানেৰে আজীৱন চিৰকুমাৰ হৈ কবিয়ে 'কবিতা-কুঁৱৰী'কে সঙ্গী কৰি ল'লে। এই ক্ষেত্ৰত দুৱৰাৰ ঘনিষ্ঠলৈ অহা ব্যক্তি দুগৰাকীমানৰ মত প্ৰণিধানযোগ্য। যতি নাৰায়ণ শৰ্মাই কৈছে যে পুৰীৰ কোনোবা নাৰীৰ সান্নিধ্যই তেওঁৰ জীৱনলৈ প্ৰেমৰ অনুভূতি বোৱাই আনিছিল। পদ্মধৰ চলিহাই আকৌ বেজবৰুৱাৰ ঘৰখনৰ লগত দুৱৰাৰ ঘনিষ্ঠতাৰ প্ৰসঙ্গ টানি বেজবৰুৱাৰ কোনোবা দুহিতৃয়েই তেওঁৰ হৃদয়-প্ৰতিমা আছিল বুলি ক'ব খোজে। যি কি নহওক, দুৱৰাই *দেৱী* কথা-কবিতাত আৰু *পাহৰা সুৰ*কবিতাটোত যৌৱনৰ প্ৰথম বসন্তত উদিত হোৱা হৃদয়-প্ৰতিমাৰ কথা ঠাৰেৰে কৈ গৈছে।

যতি নাৰায়ণ শৰ্মাই কৈছে যে দুৱৰাৰ প্ৰতিটো কবিতাৰে একোটা বুৰঞ্জী আছে। বিভিন্ন মানসিক অৱস্থাত কবিতাসমূহ ৰচনা কৰা হৈছে। ব্যক্তিগত প্ৰেমৰ বিফলতাত কবিয়ে অতীতৰ স্মৃতি পাহৰি থাকিবলৈ চেষ্টা কৰিলে। এই মানসিক স্তৰৰ অনুভূতিৰ প্ৰকাশ ঘটিছে *অতীতক যোৱাহে পাহৰি* শীৰ্ষক কবিতাটোত। কবিয়ে *পাহৰণ*ৰ যোগেদি অতীতক আন্ধাৰৰ বুকুত এৰি দিব বিচাৰিলে। কিন্তু "জীৱনৰ সুখে-দুখে অতীতৰ মধুৰ স্মৃতি ফুৰে পাছে পাছে"। কবিয়ে হাজাৰ চেষ্টা কৰিও অতীত জীৱন পাহৰিব নোৱাৰিলে। জীৱনৰ ঘাট-প্ৰতিঘাট, সুখ-দুখ সকলোতে অতীতৰ স্মৃতিয়ে ক'ব নোৱৰাকৈ আগভেটি থাকে। সন্মুখত 'স্মৃতিৰ শ্মশান'লৈ কবিয়ে উপলব্ধি কৰিলে—

"সুখে দুখে জীৱনৰ ফুৰে পাছে পাছে
অতীতৰ মধুৰ সপোন।
নিমিষতে বিষাদত ধৰেহি আগত
এৰি অহা প্ৰেমৰ দাপোণ।" (অতীতক নেযাবা পাহৰি)

অতীকআশ্ৰয় কৰিয়ে কবিয়ে জীৱন-পথত আগুৱাই গৈ আছে। অতীত পাহৰণিৰ গৰ্ভত লীন গ'লে তেওঁৰ যেন অস্তিত্বয়ে নাথাকিব। তেওঁক জগতে পাহৰি যোৱা কথাটো কেনেকৈ সহ্য কৰে। গতিকে, এই মানসিক স্তৰটোত লিখি উলিয়ালে—

"চেনেহৰ সখা মোৰ শেষ অনুৰোধ,
অতীতক নেযাবাঁ পাহৰি।" (অতীতক নেযাবা পাহৰি)

এই পাহৰণ আৰু সোঁৱৰণৰ দোমোজাত কবিৰ মন-প্ৰাণ আকুল হৈ উঠিল। অন্তৰৰ পোৰণি বাহিৰত লুকাই জীয়াই থাকিবলৈ চেষ্টা কৰিলে—

"মোৰ এই হিয়াখনি জেতুকা পাতৰ দৰে
সেউজীয়া বননিৰ বৰণেৰে ঢকা।" (শূন্য পৰিচয়)

জেতুকা পাতৰ সেউজীয়া কোমলতাৰ অন্তৰালত লুকাই থাকে গাঢ় ৰক্তিম বৰণৰ কাঠিন্য। চেপিলেহে সি ওলাই আহে। কবি হৃদয়েও বাহিৰত স্নিগ্ধতাৰ ভাও ধৰিলেও হৃদয়ত অন্তঃসলীলা ফল্গুৰ দৰে বৈ থকা দুঃখৰ অন্তর্দাহ শাঁত পেলাব পৰা নাই—

"বুকুৰ তেজেৰে আছে অন্তৰতে আঁকা।" (শূন্য পৰিচয়)

আনৰ পৰা সমবেদনা-সহানুভূতি পালেও সি সান্ত্বনাৰ বাট মুকলি নকৰে। সি ক্ষন্তেকীয়া মোহৰ বাহিৰে একো নহয়—

"কতজন কাষলই আহি কতভাৰে মোৰ।
তোলাই হিয়াত মাথোঁ সকৰুণ তান।।
শূন্যত বিয়পি পৰি শূন্যতেই মাৰ যায়।
ভাগ্যহীন জীৱনৰ সুৰহীন গান।।" (শূন্য পৰিচয়)

কবিৰ মানসিক জগতত নতুন চিন্তাৰ উদ্রেক ঘটিল। তেওঁ বুজি উঠিলে— অতীতক পাহৰিবলৈ চেষ্টা কৰি নাইবা আনৰ সমবেদনা লাভ কৰি অন্তৰৰ জ্বালা নিবাৰণ কৰিব নোৱাৰি। সুখ-দুখৰ ঘাই কাৰণটো বিচাৰিবলৈ চেষ্টা কৰিলে। কিছুমান মানুহলৈ সুখ আহে আন কাৰোবালৈ দুখ আহে। গতিকে, সুখ-দুখৰ আশ্রয় নহ'লে, আনৰ সম্বন্ধলৈ নাহিলে সি অর্থহীন হৈ পৰে। জগতৰ আন মানুহৰ পৰা দূৰত থাকি, আনৰ সম্বন্ধলৈ নাহিলে সুখ-দুখৰ হেতু নোহোৱা হৈ পৰে। নিজকে সংসাৰৰ কামৰ পৰা আঁতৰাই আনি জগতৰ মানুহৰপৰা বিস্মৃতিৰআন্ধাৰত কবিয়ে লুকুৱাব বিচাৰিলে। লোক-বিস্মৃতি ৰূপ পাহৰণি নৈৰ দাঁতিত পঁজা সাজি নিৰলে এখন সৰগ ৰচিব বিচাৰিলে। এইখিনিতে ওমৰ খায়ামৰ প্রভাৱ দুৱৰাৰ ওপৰত পৰা যেন ধাৰণা হয়।খায়ামৰ *ৰুবাইয়াত*ৰ ভাঙনিত দুৱৰাই লিখিছে—

"সেই নিৰলাত বহিম নিৰলে
কাযত তোমাৰ মধুৰ গান
ৰুটি এটুকুৰা সুৰাৰ পিয়লা
কৱিতা কুঁৱৰী আকুল প্রাণ।
... ...
এয়ে হৃদয়ৰ বাসনা মোৰ
মৰুৰ মাজত নামিব সৰগ" (ওমৰ তীর্থ)

লোক-বিস্মৃতিত লীন গৈ অকলে কবিতা-কুঁৱৰীৰ সৈতে নিজৰ সৰগ ৰচি থকাৰ বাসনা দুৱৰাৰ *শূন্য পৰিচয়* কবিতাতো দেখা যায়। কবিৰ উপলব্ধি লাহে লাহে আৰু বেছি গাঢ় হ'ল। তেওঁ স্পষ্ট ভাষাত কাকূতি জনাই ক'লে—

"আজি এই সন্ধিয়া পৰত,
মিলনৰ অপূৰ্ব্ব ক্ষণত,
মেলানি মাগিছোঁ নিজে,
আজি মোক যোৱাঁহে পাহৰি;
মাতিছোঁ কাকূতি কৰি
দুই হাত যুৰি,
আজি মোক যোৱাঁহে পাহৰি।" (আজি মোক যোৱাহে পাহৰি)

জীৱনৰ সুখ-দুখ, মান-অভিমান গোটাই জগতৰ পৰা আত্মগোপন কৰি কবিয়ে 'জীৱন কুসুম' ৰচিব বিচাৰে। গতিকে, দুৱৰাৰ এই 'পাহৰণি-তত্ত্ব' আচলতে কবিৰ জীৱন-অভিজ্ঞতাৰ ক্রমবিকাশৰ স্তৰৰ বর্ণনা বুলিহে ক'ব পাৰি। কাব্য জগতত এই তত্ত্বৰ আৱিষ্কাৰ আৰু উপস্থাপন দুৱৰাৰ নিজা। সেইবাবে দুৱৰাক বহুতে নিৰাশাবাদী বুলি ক'ব খোজে। প্রাণৰ প্রতিমাক কতবাৰ সাৱটি ধৰিও প্রতিমাৰ প্রাণ নাপাই কবিৰ হৃদয়-কলি শুকাই গ'ল। সমাজৰ পৰা অনাদৰ-অৱহেলা গোটাই লৈ লোক-বিস্মৃতি স্বৰূপ 'পাহৰণি নৈ'ৰ দাঁতিত অকলশৰীয়াকৈ থাকিবলৈ ল'লে। তেওঁ সংসাৰ নদীত জীৱন-নাও উটুৱাই দিলে। বিধাতাৰ সৈতে সংগ্রাম নকৰি সোঁতে সোঁতে ভটিয়াই গ'ল। সন্ধিয়া পৰত নৈৰ পা�ৰৰ ফুলনিৰ মাজৰ পৰা মালতিৰ আমন্ত্রণ অহাত 'য'তে ৰাতি হ'ব তাকে কাতি হ'ব বুলি' জিৰণি নলৈ আগুৱাই গৈ থাকিল। দুৱৰাৰ এই যাত্রাত প্রকৃতিয়ে সহযোগ কৰিলে। আকাশৰ জোন, বেলি, তৰাই হাঁহি হাঁহি অকলশৰীয়া কবিৰ সঙ্গী হ'ল। কবিৰ এই যাত্রা আচলতে আধ্যাত্মিক যাত্রাৰ ছবি। ৰহস্যবাদ বা ছুফীবাদত আত্মাৰ অনন্ত যাত্রাৰ ছবি অঙ্কিত হয়। এই যাত্রা পৰমাত্মাৰ সৈতে আত্মাৰ মিলনৰ যাত্রা। ছুফীবাদত জীৱন মানেই বন্ধন, মৰণ মানেই মিলন। দেহৰূপী পিঞ্জৰাত আত্মা আবদ্ধ হৈ পৰে। মৃত্যুৰ লগে লগে পৰমাত্মাৰ সৈতে মিলিত হয়। কবি দুৱৰাইও সাগৰৰ বাহুতোলা মৰণৰ শেষ আলিঙ্গনত পৰম সত্তাৰ সৈতে মিলি যোৱাৰ আশা প্রকাশ কৰিছে—

"কেতিয়ানো সুন্দৰৰ মধুৰ পৰশে
কায চাপি লবহি চপাই।" (এটি উৰি যোৱা ৰাজহাঁহলৈ)

দুৱৰাৰ কবিতাত নিৰাশাৰ ছাঁ আছে যদিও সেয়া স্থায়ী নহয়। পৰম সুন্দৰৰ সৈতে মিলনৰ আশা কৰি দুৱৰাই শেষত আশাৰ গীতহে গাইছে—

"আজি তুমি বুকুৰ মাজত,
—ই যে মোৰ সোণোৱালী দেশ।" (সোণোৱালী দেশ)

কবিৰ মন-প্রাণ সোণোৱালী দেশৰ উজ্জ্বল আভাই আলোকিত কৰি অপার্থিৱ আনন্দ প্রদান কৰিছে। এই স্বাদ ৰহস্যবাদী কবি বা সাধকৰ পক্ষেহে সম্ভৱ। *পোহৰ* কথা-কবিতাটোত এন্ধাৰ আঁতৰি পোহৰ নামি অহাৰ কথাৰে আশাৰ কথাই কৈছে—

"এদিন দেখিব মোৰ কথা ফলিয়াব,
পোহৰ পৰি আপোনাৰ ৰাজ্য সুন্দৰ হৈ পৰিব।"

আশাবাদৰ প্ৰসঙ্গত বিৰিঞ্চি কুমাৰ বৰুৱাৰ মন্তব্য প্ৰণিধানযোগ্য— "দুৱৰাৰ কবিতা জীৱন-মৰণৰ সীমা পাৰ হৈ যাবলৈ উদ্যোগ কৰা যাত্ৰাৰ ছবি— তেওঁ আশাবাদী জীৱনৰ চলন্ত ইতিহাস।"

এইদৰে দুৱৰাৰ কবিতাত নদী, নাও, নাৱৰীয়া, সাগৰ, সৰাপাত, পখিলা, বনৰীয়া ফুল, সোণোৱালী দেশ আদি ভিন্ন প্ৰতীকৰ প্ৰয়োগ হৈ দুৱৰা কবিৰ জীৱন দৰ্শনৰ কথাকে প্ৰকাশ কৰিছে।

এই কথা আপোনাৰ নিশ্চয় জ্ঞাত যে দুৱৰাৰ কাব্যিক পৰিমণ্ডল গঢ় লৈ উঠে অসমীয়া ৰোমাণ্টিক কবিতাৰ কাণ্ডাৰী স্বৰূপ চন্দ্ৰকুমাৰ আগৰৱালা, লক্ষ্মীনাথ বেজবৰুৱা আদি মহান লেখকৰ ছত্ৰছায়াত। দুৱৰা আৰু বেজবৰুৱাই কথা পাতি থাকিলে, সুযোগ-সুবিধা পালেই বেজবৰুৱাই দেশ-বিদেশৰ সাহিত্যিকৰ সাহিত্যৰ বিষয়ে আলোচনা দাঙি ধৰিছিল। সাহিত্যৰ ৰূপ, ৰসৰ কথা কৈ দুৱৰাক কবিতা লিখাৰ বাবে উৎসাহ যোগাইছিল। সেয়ে বহু সমালোচকে বেজবৰুৱাক দুৱৰাৰ 'দীক্ষা গুৰু' বুলি অভিহিত কৰিছে। তদুপৰি বিদেশী সাহিত্যৰ অধ্যয়নেৰে পুষ্ট হৈ দুৱৰাই তাক 'অসমীয়া বৰঘৰত অসমীয়া বোৱাৰীৰ সাজত' সোমোৱাবলৈ চেষ্টা কৰিছিল। পৰাগ চলিহাই এই প্ৰসঙ্গত কৈছে— "ওমৰৰ পিছতে শ্যেলীৰ প্ৰভাৱ দুৱৰাৰ কবিতাত বিশেষভাৱে পৰা দেখা যায়। তেওঁৰ 'পাহৰা সুৰ'ৰ শেহৰ ফালে শ্যেলীৰ *Love's Philosophy*, *তোমালৈ* কবিতাত শ্যেলীৰ *The Indian Serenade*, *নাৱৰীয়া (খ)*ত শ্যেলীৰ *Adonais*, *মৰম ভিখাৰীত* শ্যেলীৰ *Philosophy of Life*, বনফুলৰ *সমৰ্পণ*, *সপোন কুঁৱৰী*, *সোণোৱালী দেশ* আদিত শ্যেলীৰ *Alabastor* আদিৰ সুন্দৰকৈ প্ৰভাৱ পৰিছে। সেয়েহে হ'বলা বেজবৰুৱাই দুৱৰাক অসমীয়া 'শ্যেলী' বুলি মাতিছিল। ঠায়ে ঠায়ে টেনিচনৰ প্ৰভাৱো স্পষ্ট। দুৱৰাৰ নাৱৰীয়া আৰু টেনিচনৰ পাইলট একেজনেই।"

বিদেশী কবিৰ প্ৰভাৱ থাকিলেও দুৱৰাৰ কবিতাত ভাৰতীয় সুৰো স্পষ্টভাৱে প্ৰকাশ পাইছে। 'বিধাতাৰ শাওপাত', 'কাল-পচোৱা', 'নিয়তি', 'কালৰ পুতলা', 'সোণৰ হৰিণা' আদি শব্দৰ প্ৰয়োগে ভাৰতীয় চিন্তাৰে সৈতে কবিপ্ৰাণৰ সম্পৰ্ক দাঙি ধৰে। তেনেদৰে অসমৰ প্ৰকৃতি আৰু অসমীয়া জাতীয় জীৱনৰ প্ৰতিচ্ছবিও দুৱৰাৰ কবিতাত চিত্ৰিত হৈছে। উদাহৰণ স্বৰূপে, কেতেকীৰ সুৰ, পথাৰৰ লখিমী, দাৱনী, নাও, নাৱৰীয়া, বঠা, শৰতৰ শেৱালি, জালি কটা ৰিহাৰ আঁচল আদিৰ উল্লেখে সেই কথাৰ ইঙ্গিত দিয়ে।

প্ৰকৃতি-চিত্ৰণ অন্য ৰোমাণ্টিক কবিৰ দৰে দুৱৰাৰ কবিতাত দেখা যায়। প্ৰকৃতি-চিত্ৰণ সম্পৰ্কত উপেন্দ্ৰ নাথ গোস্বামীয়ে কৈছে— "কোনো কোনো সময়ত প্ৰকৃতি-জগতখন মানৰ জীৱনৰ নাটখনৰ পটভূমি ৰূপে কবিয়ে বৰ্ণাইছে। কেতিয়াবা আকৌ মানৰ জীৱনৰ আৰু মানৰ জীৱনৰ ঘটনাৱলীক প্ৰকৃতি জগতেৰে সৈতে তুলনা কৰি আপেক্ষিকভাৱে প্ৰকৃতি জগতৰ অবিনশ্বৰতাৰ ইঙ্গিত দিয়া হৈছে। প্ৰকৃতি মানৰ নাটখনৰ নীৰৱ দৰ্শকো। কোনো কোনো ক্ষেত্ৰত মানৰ সমাজত ভোগা দুখ-বেদনাৰ সান্ত্বনাৰ স্থলী ৰূপেও প্ৰকৃতিক চিত্ৰিত কৰা দেখা গৈছে আৰু প্ৰকৃতিৰ প্ৰতি এটা আকৰ্ষণৰ ভাব ফুটি উঠিছে।"

এতিয়া আমি দুৱৰাৰ কবিতা সম্পৰ্কে বিভিন্ন যশস্বী সমালোচকে আগবঢ়োৱা মন্তব্যবোৰ

আলোচনা কৰিমহঁক।

*বনফুল*ৰ পাতনিত বিৰিঞ্চি কুমাৰ বৰুৱাই দুৱৰাৰ কবিতা সম্পৰ্কে কৈছে— "দুৱৰাৰ কবিতা সৰ্বজন সমাদৃত হোৱাৰ সৰ্বপ্ৰধান গুণ তেওঁৰ কবিতাৰ ভাষা। দুৱৰাৰ কবিতাত ভাষাৰ জটিলতা, শব্দৰ দুৰ্বোধ্যতা, অৰ্থৰ অস্পষ্টতা নাই। তেওঁৰ কাব্যৰ ভাষা শিশুৰ দৰে সৰল, স্বভাৱ সুন্দৰী ৰমণীৰ দৰে নিৰলঙ্কাৰ। ইংৰাজ কবি ওৱৰ্ডছৱৰ্থে এনে ভাষাকেই কাব্যৰ উপযুক্ত বাহন বুলি নিৰ্দেশ কৰি গৈছে। ...দুৱৰাৰ কবিতাত পাহৰি যোৱা অসমীয়া বনগীতৰ কথা, সুৰ নতুন ৰূপত নবীন ছন্দত ধ্বনিত হৈছে। সেয়ে তেওঁৰ কবিতাক গীতাত্মক 'লিৰিক' কবিতাৰ পৰ্যায়লৈ তুলিছে। দুৱৰা এই বিষয়ত আধুনিক অসমীয়া কাব্য বুৰঞ্জীত যুগ প্ৰৱৰ্তক কবি।"

*আপোন সুৰ*ৰ পাতনিত পদ্মধৰ চলিহাই কৈছে— "কবিতাৰ ঘাই উপকৰণ— কল্পনাৰ উৰণ, ভাবৰ স্ফুৰণ, আৱেগৰ স্পন্দন আৰু সৌন্দৰ্যৰ ৰহণ— দুৱৰা কবিতাত জিলিকি আছে।"

বাণীকান্ত কাকতিয়ে *কথা-কবিতা*ৰ পাতনিত মত দাঙি ধৰিছে— "ঊনৈশ শতিকাৰ সাহিত্যৰ আদৰ্শৰে গঠিত হোৱা সকলৰ ভিতৰত শ্ৰেষ্ঠ কবি শ্ৰীযুত ৰঘুনাথ চৌধাৰী আৰু কুৰি শতিকাৰ নানান বৰণীয়া ভাৱৰ সমাৱেশেৰে পুষ্ট হোৱা আদৰ্শক সৌন্দৰ্যৰ মাজেৰে আমাৰ আগত দাঙি ধৰা সকলৰ ভিতৰত আদি শ্ৰেষ্ঠ কবি শ্ৰীযুত যতীন্দ্ৰ নাথ দুৱৰা।"

কিন্তু দুৱৰাৰ কবিতাৰ মূল ভাব মোটামুটিভাৱে একেটাই। একেটা ভাবেই বহুকেইটা কবিতাত পুনৰাবৃত্তি হৈছে। সচেতন পাঠকক পুনৰাবৃত্তি দোষে আমুৰায়। লক্ষ্মীনাথ তামুলীয়ে এই প্ৰসঙ্গত কৈছে— "তেওঁৰ সমালোচকসকলে দুৱৰাৰ কবিতাক বিৰক্তিকৰ পেন্‌পেননিৰ পুনৰাবৃত্তি বুলি অভিহিত কৰি তেওঁৰ কাব্য সৃষ্টিক সাহিত্যৰ ফচিল বুলি ঘোষণা কৰিছিল।"

দুৱৰাৰ কাব্যৰ প্ৰাসঙ্গিকতা সম্পৰ্কত হোমেন বৰগোহাঞিয়ে বিৰুদ্ধ মন্তব্য দাঙি ধৰিছে— "সমসাময়িক অসমীয়া চিন্তাত বুদ্ধিবাদিতা বা মননশীলতাৰ প্ৰভাৱ বাঢ়িছে। এই মননশীলতা যিমানেই বাঢ়িছে, ঠিক সিমানেই বৃদ্ধিপাইছে ভাৱালুতাৰ প্ৰতি বিৰূপ প্ৰতিক্ৰিয়া। অসমীয়া ৰোমাণ্টিক কবিসকলৰ ভিতৰত যতীন্দ্ৰ নাথ দুৱৰা বৰ্তমান কালত সবাতোকৈ বেছি উপেক্ষিত হোৱাৰ ঘাই কাৰম হ'ল এয়ে যে সেই যুগৰ সকলো বিশিষ্ট কবিৰ ভিতৰত তেওঁৰ কবিতাতেই ভাৱালুতাৰ পৰিমাণ আন সকলোতকৈ বেছি। দ্বিতীয় কাৰণ হ'ল, তেওঁৰ কাব্যচিন্তাত জীৱনৰ মৌলিক সমস্যা সমূহৰ অতিমাত্ৰাই সৰলীকৰণ। একতাৰাত একসুৰীয়া ৰেপণীৰ দৰে তেওঁৰ কবিতাত প্ৰায় একে ভাৱৰ একে ছন্দৰ পুনৰাবৃত্তিয়ে অতি ধৈৰ্যশীল পাঠককো ক্লান্ত নকৰাকৈ নাথাকে। বিস্ময়কৰ সাঙ্গীতিক গুণ আৰু ৰূপ-বৈচিত্ৰ্য থকা সত্ত্বেও চুইনবাৰ্ণৰ কবিতা যেনেকৈ মহৎ কাব্য-সৃষ্টিৰ শাৰীলৈ উঠাত বিফল হ'ল, যতীন্দ্ৰ নাথ দুৱৰাৰ কবিতায়ো ঠিক তেনেকৈ ভাষা আৰু ছন্দৰ মনোহাৰিত্ব সত্ত্বেও পাঠকৰ মনত স্থায়ী আৰু গভীৰ প্ৰভাৱ পেলাবলৈ ব্যৰ্থ হ'ল। ...কোনো লিখকৰ বিষয়েই ভৱিষ্যদ্বাণী কৰা নিৰাপদ নহয়, কিন্তু দুৱৰাৰ বিষয়ে বোধহয় এই কথা ক'ব পাৰি যে অদূৰ ভৱিষ্যতত তেওঁ পুনৰ্সংস্থাপিত হোৱাৰ বিশেষ আশা নাই।"

বৰগোহাঞিৰ সুৰতেই হীৰেন গোহাঁইৰ মন্তব্যও সাঙোৰ খাই থকা পৰিলক্ষিত হয়— "নিৰলাত বহি সকলো আহুকলীয়া সংস্পৰ্শৰ পৰা কাছৰ দৰে ঠেং-মূৰ বচাই তেওঁ বেদনাৰ সুৰ

বজাই সময় কটালে। এই সুৰ মধুৰ, মাজে মাজে মর্মস্পর্শী— কিন্তু দুর্বল আৰু কুহুমীয়া। ই মানসিক আৰু ইন্দ্রিয় আলস্যৰ লক্ষণ। এইবাবেই দুৱৰাৰ কবিতাত ইন্দ্রিয়ানুভূতিৰ তীব্রতা নাই, দুৱৰাৰ ভাষাৰ বিন্যাসত (Texture) ঘনত্ব নাই। এইবাবেই প্রথাগত আৰু নতুনত্বহীন শব্দ আৰু উপমাৰ প্রতি তেওঁৰ লক্ষ্যণীয় দুর্বলতা। এইবাবেই জোৰা-তাপলি মৰা শব্দ তেওঁৰ কাব্যত প্রচুৰ। কাৰণ তেওঁৰ প্রধান লক্ষ্য আৱেগ প্রকাশ, কল্পনা প্রয়াস নহয়।"

সমালোচকসকলৰ মন্তব্যবোৰত দুৱৰাৰ কাব্যৰ গুণ আৰু দোষ স্পষ্টভাৱে ফুটি ওলাইছে। আধুনিক সাহিত্যত প্রতিফলিত বাস্তৱ জীৱনৰ সমস্যাৱলীৰ প্রতিফলন নথকাত দুৱৰা-কাব্যৰ প্রাসঙ্গিকতা বর্তমান সময়ত হয়তো কম হ'লেও প্রেম-আৱেগৰ কবিতা হিচাপে তাৰ মূল্য সদায় থাকিব। কাৰণ আৱেগ আৰু যুক্তি— দুয়োটাই সাহিত্যত চিৰকাল উপাদান হিচাপে বর্তি থাকিব। তদুপৰি দুৱৰাৰ কাব্যক মূল্যায়ন কৰোঁতে সমকালীন অসমীয়া সাহিত্যৰ পৰিৱেশ পৰিস্থিতিও আহি বিচাৰ কৰি চাব লাগিব। গতিকে, অসমীয়া কথা-কবিতাৰ জনক হিচাপে তথা অনুবাদক আৰু মূলতঃ এগৰাকী প্রেমৰ কবি হিচাপে সাহিত্যৰ বুৰঞ্জীত তেওঁৰ নাম স্মৰণীয় হৈ ৰ'ব বুলি আশা কৰিব পাৰি।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৫ ঃ দুৱৰাৰ কবিতা সম্পর্কে এটি নাতিদীর্ঘ প্রবন্ধ যুগুত কৰক। (250টা শব্দৰ ভিতৰত লিখক।)



৭.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- 'কথা-কবিতা'ৰ জনক হৈছে ৰুছ দেশীয় কবি আইভান টুর্গেনিভ। তেৱেঁই হৈছে গদ্যত ৰচনা কৰা কবিতাৰ প্রথম কবি।
- আইভান টুর্গেনিভৰ *Sonilia* আৰু অলিফ শ্রাইনাৰৰ *Dream* *কথা-কবিতা* পুথিৰ বহুতো কবিতা দুৱৰাই অসমীয়ালৈ ভাঙনি কৰাৰ লগতে তাৰ আলমত *কথা-কবিতা* পুথি ৰচনা কৰি অসমীয়া কাব্য-সাহিত্যলৈ এটি অভিনৱ সম্পদ আগবঢ়াই যায়।
- কবি যতীন্দ্র নাথ দুৱৰাৰ সাহিত্য-কৃতি আৰু কবিতা সম্পর্কে অৱগত হ'লোঁ। দুৱৰা মুখ্যতঃ প্রেমৰ কবি। *বনফুল*কবিতা পুথিৰ বাবে দুৱৰাই 1955 চনত সাহিত্য অকাডেমী বঁটা লাভ কৰে।
- অসমীয়া গীতি-কবিতাই দুৱৰাৰ হাতত বিকাশ লাভ কৰি এক অনন্য ৰূপ লাভ কৰে।
- কবি আৰু দার্শনিকৰ সত্য অন্বেষণৰ পথ আৰু প্রকাশভঙ্গী ভিন্ন হ'লেও শেষ সত্যৰ মিল দেখা যায়। কবিতা আৰু দর্শনৰ মাজত এক গভীৰ সম্পর্ক আছে।

- দুৱৰাৰ কবিতাত শ্যেলী, টেনিচন আদি বহু বিদেশী কবিৰ কবিতাৰ প্ৰভাৱ পৰা দেখা যায়।



৭.৮ অধিক জানিবলৈ

1) গগৈ, লীলা (সম্পা.) (1988); *যতীন্দ্ৰ নাথ দুৱৰা কবি আৰু কবি-প্ৰতিভা*; ডিব্ৰুগড় ঃ ষ্টুডেণ্টছ্ এম্পা'ৰিয়াম।
2) তামুলী, লক্ষ্মীনাথ (সম্পা.) (1997); *যতীন্দ্ৰ নাথ দুৱৰা ৰচনাৱলী*; গুৱাহাটী ঃ লয়ার্ছ বুক ষ্টল।
3) ৰংপুৰ সাহিত্য সভা (1993); *দুৱৰাৰ কাব্য প্ৰতিভা*।



৭.৯ অগ্ৰগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১নং প্ৰশ্নৰ উত্তৰ ঃ অসমীয়া সাহিত্যৰ ৰোমাণ্টিক যুগৰ *বাঁহী*পৰ্বৰ... ...দুৱৰাৰ হাতত অসমীয়া গীতি-কবিতাৰ বিকাশ... ...প্ৰকাশিত কবিতা পুথিসমূহ হ'ল... ...অনুবাদক হিচাপে...।

২নং প্ৰশ্নৰ উত্তৰ ঃ দুৱৰাৰ কাব্য-পৰিমণ্ডলত লক্ষ্মীনাথ বেজবৰুৱা, চন্দ্ৰকুমাৰ আগৰৱালা আদি বিশিষ্ট কবিৰ প্ৰভাৱৰ লগতে শ্যেলী, টেনিচন আদি বিদেশী কবিৰ প্ৰভাৱ... ...ইংৰাজ কবি ফিট্‌জেৰাল্ডৰ ভাঙনিৰ আলমত ওমৰ খায়ামৰ *ৰুবাইয়াত*... ...*কথা-কবিতা* নোহোৱা নোপোজা কবিতাৰ পুথি... ...*বনফুল* কবিতা পুথিৰ বাবে সাহিত্য-অকাডেমী... ...'পাহৰণিতত্ত্ব' কাব্য জগতত এক অভিনৱ আৱিষ্কাৰ... ...কবিতাত জীৱন-দৰ্শন...।

৩নং প্ৰশ্নৰ উত্তৰ ঃ কথা-কবিতাৰ ঘাই লক্ষণসমূহ... ...এটা কেন্দ্ৰস্থ ভাব... ...চিত্ৰময়তা... ...ৰূপকাত্মক... ...দৃশ্য বস্তুত সজীৱতা আৰোপ... ...কবিত্বময়ী কথা লিখাৰ ভঙ্গী...।

৪নং প্ৰশ্নৰ উত্তৰ ঃ কবি আৰু দাৰ্শনিকে সত্যৰ অন্বেষণ... ...পথ ভিন্ন... ...কবিতা কল্পনা আৰু অনুভূতিৰ আলমত... ...দৰ্শন যুক্তি-তৰ্ক, বিচাৰ-বিশ্লেষণৰ আলমত... ...দাৰ্শনিক সত্য কবিতাত সাহিত্যিক সুষমাৰে দাঙি ধৰে... ...মহৎ কবি এগৰাকী দাৰ্শনিক হ'ব পাৰে... ...ক'ল'বিজে এই প্ৰসঙ্গত কৈছে... ...দৰ্শন কবিতাৰ বিৰোধী নহয়... ...কবিতা আৰু দৰ্শনৰ মাজত গভীৰ সম্পৰ্ক আছে।

৫নং প্ৰশ্নৰ উত্তৰ ঃ *শেহত দুয়োটি একতে লীন* এটা তাত্ত্বিক শ্ৰেণীৰ কথা-কবিতা... ...কবি আৰু দাৰ্শনিক— দুয়ো একেটা আলিবাটৰ দুকাষে... ...সত্যৰ সন্ধানৰ বাবে ওলাইছে। শূন্য নীল আকাশৰ পিনে কবিয়ে যাত্ৰা আৰম্ভ কৰিলে... ...দাৰ্শনিকে আকাশৰ ক'লীয়া

ডাৱৰৰ পিনে আগুৱাই গ'ল... ...ভগৱানৰ একেখন বুকুত দুয়ো শুই থাকি সত্যৰ সন্ধেদ পালে...।



৭.১০ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ ঃ যতীন্দ্ৰ নাথ দুৱৰাৰ কাব্য-প্ৰতিভা সম্পৰ্কে এটি আলচ যুগুত কৰক।

প্ৰশ্ন ২ ঃ দুৱৰাৰ কবিতাত বিদেশী কবিৰ প্ৰভাৱ সম্পৰ্কে বিশ্লেষণ কৰি দেখুৱাওক।

প্ৰশ্ন ৩ ঃ যতীন্দ্ৰ নাথ দুৱৰাৰ কবিতাত জীৱন-দৰ্শন কিদৰে প্ৰতিফলিত হৈছে, বুজাই লিখক।

প্ৰশ্ন ৪ ঃ দুৱৰাৰ কবিতাত ব্যৱহৃত প্ৰতীক সম্পৰ্কে এটি চমুটোকা প্ৰস্তুত কৰক।

প্ৰশ্ন ৫ ঃ "দুৱৰাৰ কবিতাত আশাবাদ আৰু নিৰাশাবাদ" —এই শিতানত এটি নাতিদীৰ্ঘ প্ৰবন্ধ যুগুত কৰক।

প্ৰশ্ন ৬ ঃ দুৱৰাৰ কবিতাত 'পাহৰণিতত্ত্ব' কিদৰে ফুটি উঠিছে, বিশ্লেষণ কৰি দেখুৱাওক।

প্ৰশ্ন ৭ ঃ যতীন্দ্ৰ নাথ দুৱৰাৰ কবিতাত ৰহস্যবাদৰ আভাস কিদৰে প্ৰতিফলিত হৈছে, বিশ্লেষণ কৰি দেখুৱাওক।

*** ***** ***